**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-07-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**:::::::::::::::::::::::::::::::**

১। কাৰ্গিল যুদ্ধত অসীম বীৰত্বৰে যুঁজি দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকলৰ সোঁৱৰণত আজি বিজয় দিৱস উদ্‌যাপন।

২। মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি।

৩। অসম আন্দোলনৰ বীৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীত নিৰ্মীয়মান ছহিদ স্মাৰক ক্ষেত্ৰ আৰু উদ্যান শীঘ্ৰে সম্পূৰ্ণ হ'ব বুলি মন্ত্ৰী অতুল বৰাৰ প্ৰকাশ।

৪। আকাশবাণীৰ অনুষ্ঠানসূচীত নতুনত্ব আনি নতুন প্ৰজন্মক আকৰ্ষিত কৰিব পাৰিলেহে ইয়াৰ প্ৰাসংগিকতা থাকিব বুলি সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ৰ মন্তব্য।

*আৰু*

৫। অ'ল্ড ট্ৰেফ'ৰ্ড টেষ্টৰ আজি চতুৰ্থ দিনা ভাৰতৰ দ্বিতীয় ইনিংছত শোচনীয় আৰম্ভণি।

০০০০

১৯৯৯ চনৰ কাৰ্গিল যুদ্ধক সুঁৱৰি আজি দেশজুৰি কাৰ্গিল বিজয় দিৱস উদ্‌যাপন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানতো শ্বহীদ সেনা জোৱানসকলক সুঁৱৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। গুৱাহাটীৰ দীঘলীপুখুৰীৰ ৰাজ্যিক যুদ্ধ স্মাৰকত শ্বহীদ স্মৰণ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা জনাই দেশৰ হকে পৰম বীৰত্বৰে যুঁজ দিয়া সাহসী জোৱানসকলক সোঁৱৰে। কাৰ্গিল যুদ্ধৰ গুৰুত্বৰ কথা উল্লেখ কৰি শ্ৰীআচাৰ্যই অতি প্ৰতিকুল পৰিৱেশত সেনাবাহিনীয়ে পাকিস্তানৰ বিৰুদ্ধে যুঁজ দি জয়লাভ কৰাৰ বীৰ গাথাত আলোকপাত কৰে। ৰাজ্যপালগৰাকীয়ে কেপ্টেইন বিক্ৰম বাট্ৰা, কেপ্টেইন জিণ্টু গগৈ আৰু অন্যান্য শ্বহীদসকলৰ ত্যাগে পৰৱৰ্তী প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি প্ৰকাশ কৰে। অনুষ্ঠানত বীৰ ছহিদ জিণ্টু গগৈৰ মাতৃক সম্বৰ্ধনা জনোৱা হয়।

গোলাঘাট জিলাৰ খুমটাইত আজি দিনজোৱা কাৰ্যসূচীৰে কাৰ্গিল বিজয় দিৱস উদযাপন কৰা হয়। জাচিংফা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আৰু শ্বহীদ জিণ্টু গগৈৰ পৰিয়ালৰ সহযোগত শ্বহীদগৰাকীৰ সমাধিক্ষেত্ৰত এই দিৱস উদযাপন কৰা হয়। গোলাঘাট জিলাৰ প্ৰাক্তন সৈনিকসকলৰ লগতে খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই শ্বহীদ জিণ্টু গগৈৰ সমাধিত শ্ৰদ্ধাঞ্জলি জনায়।

কাৰ্গিল যুদ্ধৰ শ্বহীদ শিলচৰৰ নন্দচান্দ সিংহৰ শ্বহীদবেদীত আজি মন্ত্ৰী কৌশিক ৰায়ৰ লগতে বিজেপিৰ নেতা-কৰ্মী তথা জনসাধাৰণে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মাত্ৰ ২২ বছৰ বয়সতে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ

শ্বহীদ জোৱানগৰাকীৰ মাতৃক সম্বৰ্ধনা জনোৱা হয়। কাছাৰ জিলা বিজেপিয়ে আজি সন্ধিয়া শিলচৰত এটা সমদল উলিয়ায়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৌশিক ৰায় আৰু কৃষ্ণেন্দু পালে নেতৃত্ব দিয়া এই সমদলত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। শ্ৰীভূমি জিলাত নেহৰু যুৱ কেন্দ্ৰ আৰু ভূমিকা সাংস্কৃতিক সংগঠনৰ উদ্যোগত চহৰখনৰ শম্ভুসাগৰ পাৰ্কত বিজয় দিৱস উপলক্ষে স্মৃতি তৰ্পণ, দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰা হয়।

বজালী জিলাৰ অকয়াত নন্দচুপা গাঁওৰক্ষী বাহিনীৰ উদ্যোগত গাঁওখনৰ প্ৰাক্তন সৈনিক আৰু স্থানীয় ৰাইজৰ সহযোগত কাৰ্গিল যুদ্ধত প্ৰাণ হেৰুওৱা বীৰ শ্বহীদসকলৰ সোঁৱৰণত বিজয় দিৱস পালন কৰা হয়। জিলাখনৰ বায়ুসেনাৰ প্ৰাক্তন সৈনিক বীৰেন সিংহই এগছি বন্তি প্ৰজ্বলেনেৰে কাৰ্যসূচী আৰম্ভ কৰাৰ লগতে কাৰ্গিল বিজয় দিৱসৰ তাৎপৰ্য ব্যক্ত কৰে।

উল্লেখযোগ্য যে ১৯৯৯ চনত পাকিস্তান আৰু ভাৰতৰ মাজত হোৱা কাৰ্গিল যুদ্ধত ভাৰতে জয়লাভ কৰা আজি ২৬ বছৰ সম্পূৰ্ণ হৈছে।

০০০০

মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ৰাজ্যসভাত এই সন্দৰ্ভত উত্থাপন কৰা প্ৰস্তাৱ গৃহীত হোৱাৰ পাছত ৰাজ্যখনত ১৩ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি কৰা হয়। সেই অনুসৰি ২০২৬ চনৰ ১৩ ফেব্ৰুৱাৰী পৰ্যন্ত মণিপুৰত ৰাষ্ট্ৰপতি শাসন বাহাল থাকিব। উল্লেখযোগ্য যে গোষ্ঠীগত সংঘৰ্ষক লৈ মণিপুৰৰ পৰিস্থিতি অস্থিৰ হৈ পৰাৰ পাছত যোৱা ৯ ফেব্ৰুৱাৰীত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে পদত্যাগ কৰিছিল। ইয়াৰ চাৰিদিন পাছতে অৰ্থাৎ ১৩ ফেব্ৰুৱাৰীত কেন্দ্ৰই ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন জাৰি কৰে। সংবিধানৰ নীতি অনুসৰি ৰাষ্ট্ৰপতি শাসন প্ৰথম অৱস্থাত ছমাহৰ বাবে বলৱৎ কৰা হয় আৰু সংসদৰ অনুমোদনক্ৰমে ছমাহৰ ব্যৱধানত ৩ বছৰলৈ এই ম্যাদ বৃদ্ধি কৰিব পাৰি।

০০০০

অসম আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যৰে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মীয়মান ছহিদ স্মাৰক ক্ষেত্ৰ আৰু উদ্যান অহা নৱেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। ১১৬ বিঘা ভূমি সামৰি নিৰ্মীয়মান এই উদ্যানত ছহিদ স্মাৰকৰ লগতে দেশৰ ভিতৰতে অন্যতম সুউচ্চ স্তম্ভ আৰু ছহিদৰ আৱক্ষ মূৰ্তি নিৰ্মাণ কৰি থকা হৈছে। মন্ত্ৰী অতুল বৰাই আজি এই নিৰ্মীয়মান ক্ষেত্ৰ পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লোৱাৰ পাছত এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই উদ্যান আৰু স্মাৰকে ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতি যুগমীয়া কৰাত সহায় কৰিব। এই প্ৰকল্প ৰূপায়ণে অসম আন্দোলনৰ বীৰ ছ্দিহসকলক মৰ্যাদা প্ৰদানৰ লগতে ঐতিহাসিক অসম চুক্তিৰ দফাসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। মন্ত্ৰী বৰাৰ সৈতে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যইও স্মাৰক ক্ষেত্ৰখন পৰিদৰ্শন কৰে। এই স্মাৰকক্ষেত্ৰ আৰু উদ্যানত শ্ৰব্য আৰু পোহৰ প্ৰদৰ্শন, চাইকেল ট্ৰেক, খাদ্যথলী আৰু বিভিন্ন আধুনিক উপস্থাপন কৰা হ'ব। ৫০০ গৰাকী ব্যক্তি বহিব পৰা প্ৰেক্ষাগৃহ আৰু এহেজাৰ লোকে আসন গ্ৰহণ কৰিব পৰা বিথিকাও স্মাৰক ক্ষেত্ৰখনত থাকিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ ভিতৰত সকলোৰে আলোকচিত্ৰ পোৱা হোৱা নাই। সেয়েহে জিলা আয়ুক্তসকলক ছহিদৰ পৰিয়ালক সাক্ষাৎ কৰি আলোকচিত্ৰ সংগ্ৰহ কৰিবলৈ কোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে আজি গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। ড০ গৌড়ে কয়, যে অনুষ্ঠানসূচীত নতুনত্ব আনি নতুন প্ৰজন্মক আকৰ্ষিত কৰিব পাৰিলেহে আকাশবাণীৰ প্ৰাসংগিকতা থাকিব। আকাশবাণীৰ সংগীতানুষ্ঠানৰ দৰে অনুষ্ঠানসমূহ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত আয়োজন কৰিবলৈ সঞ্চালক প্ৰধানগৰাকীয়ে পৰামৰ্শ দিয়ে। নতুন নতুন অনুষ্ঠানেৰে শ্ৰোতাৰ সংখ্যা আৰু বিজ্ঞাপনৰ আয় বৃদ্ধি কৰাতো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান বুলি ড০ গৌড়ে মন্তব্য কৰে।

**বাইট (ড০ প্ৰজ্ঞা পালিৱাল গৌড়)**

অসম আৰু মেঘালয়ত ৫ দিনীয়া ভ্ৰমণসূচীৰ অংশ হিচাপে সঞ্চালক প্ৰধানগৰাকীয়ে ইয়াৰ আগতে পৰহি মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। আজিৰ পুৱাৰ ভাগত তেওঁ কামাখ্যা মন্দিৰলৈ গৈ দেৱীৰ আশীষ গ্ৰহণ কৰে।

০০০০

গুৱাহাটী মহানগৰৰ গুৰুত্বপূৰ্ণ অঞ্চলসমূহৰ ভিৰ হ্ৰাস কৰি মহানগৰখনৰ পৰিবহন ব্যৱস্থা সূচল কৰি তোলাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ফাঁচিবজাৰৰ পুৰণি কাৰাগাৰ চৌহদত ২ হেজাৰ ৭০০ বৰ্গমিটাৰ এলেকাজুৰি এটা পাৰ্কিং জ'ন নিৰ্মাণ কৰি আছে। এই ব্যৱস্থাই জনসাধাৰণক যান-জটৰ সমস্যাৰ পৰা সকাহ দিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীৰ যান-বাহন চলাচল ব্যৱস্থাৰ ইতিবাচক পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে।

০০০০

আচাম ভেলী ফাৰ্টিলাইজাৰ এণ্ড কেমিকেল কোম্পানী লিমিটেডক ৰাজ্য চৰকাৰ আৰু অন্য সহযোগীসকলৰ যৌথ প্ৰচেষ্টাৰ কোম্পানী হিচাপে গঠন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এইকথা ঘোষণা কৰে। তেওঁ কয় যে, এই কোম্পানীটোৱে কেন্দ্ৰীয় চৰকাৰে ঘোষণা অনুযায়ী নামৰূপত এমোনিয়া ইউৰিয়া চৌহদ স্থাপনৰ সপোন বাস্তৱায়িত কৰাত সহায় কৰিব। এই প্ৰতিষ্ঠানে অসমক দেশৰ শীৰ্ষৰ ৫ খন ৰাজ্যৰ অন্যতমৰূপে  গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ০

০০০০

অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসম ভ্ৰমণৰ সময়ছোৱাত সকলো ব্যৱস্থা নিয়াৰিকৈ সম্পন্ন হোৱাটো নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে আজি মুখ্য সচিব ড০ ৰবি কোটাই আৰক্ষী আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। মুখ্য সচিবগৰাকীয়ে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান আৰু বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াৰ সৈতে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক লৈ আলোচনা কৰে। তেওঁ সকলো বিভাগক নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

নগাওঁ জিলাৰ হাতিচোং মৌজাৰ দুটা স্থানত উচ্ছেদ অভিযান চলোৱাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে। ইতিমধ্যে নগাঁও সদৰ ৰাজহ চক্ৰ বিষয়াই সংশ্লিষ্ট অঞ্চলৰ বাসিন্দাসকললৈ জাননী জাৰি কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে, হাতীচোং মৌজাৰ গৰৈমাৰী পথাৰ কিচামতৰ ৭২ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভৰ লগতে

বগৰীগুৰি পাম কিচামতৰ ৬২ আৰু ৬৩ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভত উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে জাননী জাৰি কৰিছে।

০০০০

ডিব্ৰুগড়ৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় তথা বুৰঞ্জী আৰু পুৰাতত্ব সঞ্চালকালয়ে যুটীয়াভাৱে শ্ৰীশ্ৰীমায়ামৰা দিনজয় সত্ৰত আজিৰে পৰা ৫ দিনীয়াকৈ পাণ্ডুলিপি সংৰক্ষণ আৰু পুনৰ প্ৰস্তুতকৰণৰ কৰ্মশালাৰ আয়োজন কৰিছে। সত্ৰখনত সংৰক্ষিত আপৰুগীয়া সাঁচিপাতৰ পুথিসমূহ বিজ্ঞানসন্মতভাৱে অবিকল ৰূপত সংৰক্ষণৰ লক্ষ্যৰে  এই ব্যৱস্থা লোৱা হৈছে। অহা ৩০ জুলাইলৈকে হ'বলগীয়া কৰ্মশালা আজি ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য্য ড০ জীতেন হাজৰিকাই উদ্বোধন কৰে। বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড০ সংগীতা গগৈয়ে এই কৰ্মশালাত সাঁচিপাতৰ পুথিসমূহ কিদৰে সংৰক্ষণ কৰিব পাৰি সেই বিষয়ে ব্যাখ্যা কৰে।  কৰ্মশালাত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ মায়ামৰা ধৰ্মীয় নামঘৰৰ পৰা  বাচনি কৰা দুজনকৈ আৰু বিভিন্ন মহাবিদ্যালয়,  বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু তামুলপুৰ জিলা প্ৰশাসনৰ সহযোগত বিধানসভা সমষ্টিভিত্তিক  গ্ৰীষ্মকালীন কৰ্মশালাৰ আজি সামৰণি পৰে। অসম নাট্য সন্মিলন, তামুলপুৰ জিলা প্ৰশাসন, মণিকাঞ্চন কলাকেন্দ্ৰ, আলাইআৰান হাৰিমু আফাদ আৰু জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চৰ সহযোগত এই কৰ্মশালা অনুষ্ঠিত হৈছিল। আজি সামৰণি অনুষ্ঠানত অংশ লৈ যশস্বী অভিনেত্ৰী, অসম গৌৰৱ সন্মানেৰে সন্মানিত সীমা বিশ্বাসে কয়, যে এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলৰ পৰিৱেশনে সমাজলৈ শক্তিশালী বাৰ্তা কঢ়িয়াই আনিছে। গোলকীয় উষ্ণতা বৃদ্ধিক লৈ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা নাটকে সুন্দৰ বাৰ্তা দিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০

অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসম ভ্ৰমণৰ সময়ছোৱাত সকলো ব্যৱস্থা নিয়াৰিকৈ সম্পন্ন হোৱাটো নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে আজি মুখ্য সচিব ড০ ৰবি কোটাই আৰক্ষী আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। মুখ্য সচিবগৰাকীয়ে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান আৰু বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াৰ সৈতে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক লৈ আলোচনা কৰে। তেওঁ সকলো বিভাগক নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

অসম চৰকাৰৰ খিলঞ্জীয়া, জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ অধীনৰ অসম প্ৰত্নতত্ব সঞ্চালকালয়ে আজি চৰাইদেউ মৈদামক্ষেত্ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাৰ বৰ্ষপূৰ্তি অনুষ্ঠান অনুষ্ঠিত কৰে। বিগত বৰ্ষৰ আজিৰ দিনটোতে নতুন দিল্লীত অনুষ্ঠিত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য সমিতিৰ সন্মিলনত চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল। এই উপলক্ষে আজি চৰাইদেউ মৈদামক্ষেত্ৰত টাই-আহোমৰ পৰম্পৰাগত ৰীতি-নীতি অনুসৰি বান্-ফি অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰ্ষপূৰ্তি অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, যোগেন মহন, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, টাই-আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। চৰাইদেই মৈদাম ক্ষেত্ৰত পৰ্যটকৰ সংখ্যা বৃদ্ধিয়ে আশাৰ বতৰা কঢ়িয়াই

অনাৰ লগতে এই অঞ্চলৰ যুৱক-যুৱতীসকলকো আৰ্থিকভাৱে সবল হোৱাৰ পথ মুকলি কৰি বুলি পৰিবহণ মন্ত্ৰী যোগেন মহনে প্ৰকাশ কৰে।

**বাইট (যোগেন মহন)**

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **'গ্ৰীষ্মকালীন শিবিৰ'** সম্পৰ্কত এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ প্ৰাসংগিকতা সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আৰু আন কেইগৰাকীমান অভিজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

০০০০

কোকৰাঝাৰত কাইলৈৰ পৰা ১৩৪ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ খেল অনুষ্ঠিত হ'ব। কোকৰাঝাৰত কালি বিয়লি ৪ বজাত হ'বলগীয়া প্ৰথমখন খেলত অসমৰ মৰ্নিং ষ্টাৰ এফ চি, আই টি বি পি ফুটবল দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাৰ্বি আংলঙৰ মৰ্নিং ষ্টাৰ এফ চিয়ে অসমৰ দ্বিতীয়টো দলৰূপে এই ঐতিহাসিক ফুটবল প্ৰতিযোগিতাত অভিষেক কৰাৰ গৌৰৱ লাভ কৰিছে। বড়োলেণ্ড এফ চিয়ে ইয়াৰ পূৰ্বে ৰাজ্যৰ প্ৰথম ক্লাব হিচাপে ডুৰাণ্ড কাপত ভাগ লৈছে। ইপিনে মেঘালয়ৰ শ্বিলঙত আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত শ্বিলং লাজং এফ চিয়ে মালয়েছিয়াৰ আৰ্মি ফুটবল দলক ৬-০ গ'লত পৰাস্ত কৰে।

০০০০

এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি চতুৰ্থ দিনা ইংলেণ্ডে ৬৬৯ ৰানত প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈ ২টা উইকেটৰ বিনিময়ত ২২ ৰান সংগ্ৰহ কৰিছে। ভাৰত ইংলেণ্ডতকৈ সামগ্ৰিকভাৱে এতিয়াও ২৮৯ ৰানত পিছপৰি আছে।

এই পাঁচখনীয়া খেলৰ টেষ্ট শৃংখলাত ইংলেণ্ড ১-২ ফলাফলত আগবাঢ়ি আছে।

০০০০

সমাপ্ত